M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE

# 2024

## ASSAMESE

## ( Honours Core )

Paper : ASM–HC–5026

**( অসমীয়া ব্যাকৰণ )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন?

(খ) অসমীয়া ভাষাৰে লিখিত প্ৰথমখন অসমীয়া ব্যাকৰণৰ নাম লিখা।

(গ) 'ৰূপান্তৰ স্ফোট ব্যাকৰণ'ৰ উদ্ভাৱক কোন?

(ঘ) ভাষাৰ ন্যূনতম একক কি?

(ঙ) অসমীয়া ভাষাৰ এটা অবিভাজ্য ধ্বনিৰ উদাহৰণ দিয়া।





M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE

(চ) অসমীয়া ভাষাত 'স্বৰৰ অনুনাসিকতা' বৰ্ণগত হয়নে?

(ছ) লিঙ্গ-নিৰপেক্ষ ৰূপ কি?

(জ) অসমীয়া ভাষাত কাৰক কেইপ্ৰকাৰ?

(ঝ) অসমীয়া ভাষাৰ এটা ক্ৰিয়াহীন বাক্য লিখা।

(ঞ) নোৱম চ'মস্কী ৰচিত বাক্যতত্ত্ব বিষয়ক এখন গ্ৰন্থৰ নাম লিখা।

২। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা : ২×৫=১০

(ক) ইংৰাজী ভাষাত ব্যাকৰণৰ প্ৰতিশব্দৰূপে ব্যৱহাৰ হোৱা Grammar শব্দটো কি ভাষাৰ, কি শব্দৰ পৰা ব্যুৎপত্তি লাভ কৰিছে?

(খ) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি কি? প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি কিমান চনত প্ৰকাশিত হৈছিল?

(গ) অসমীয়া বৰ্ণমালাৰ কম্পিত আৰু পাৰ্শ্বিক বৰ্ণ দুটা লিখা।

(ঘ) অসমীয়া ভাষাত বিভক্তি প্ৰধানতঃ কেইপ্ৰকাৰ আৰু কি কি?

(ঙ) বচন-নিৰপেক্ষ ৰূপ বুলিলে কি বুজা? এটা উদাহৰণ দিয়া।





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ব্যাকৰণক প্ৰধানতঃ কেইটা ভাগত ভগোৱা হয়? যি কোনো এটা ভাগৰ বিষয়ে চমুকৈ লিখা।

(খ) অসমীয়া ভাষাৰ দন্তমূলীয় ব্যঞ্জনবৰ্ণ কেইটা আৰু কি কি? উচ্চাৰণৰ ধৰণ অনুসৰি এই বৰ্ণকেইটাৰ এখন তালিকা প্ৰস্তুত কৰা। এই বৰ্ণকেইটা লিখিবলৈ অসমীয়া ভাষাত কি কি আখৰ ব্যৱহাৰ কৰা হয়?

(গ) অসমীয়া ভাষাত লিঙ্গসাধন কেনেকৈ কৰা হয়, চমুকৈ লিখা।

(ঘ) ক্ৰিয়াৰ ৰূপসাধনত পুৰুষৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(ঙ) বাক্য গঠনত সুৰ-লহৰৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(চ) অসমীয়া ভাষাৰ উদাহৰণেৰে বাক্য গঠনত ৰূপান্তৰ প্ৰক্ৰিয়া সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা।

৪। (ক) ব্যাকৰণ বুলিলে কি বুজা? ভাষাবিজ্ঞান, ভাষাতত্ত্ব আৰু ব্যাকৰণৰ পাৰ্থক্য নিৰ্ণয় কৰা। ২+৮=১০

অথবা

(খ) আৰম্ভণিৰ পৰা বৰ্তমানলৈ অসমীয়া ভাষাত ভালে সংখ্যক ব্যাকৰণ ৰচিত হৈছে যদিও অসমীয়া ভাষাৰ পূৰ্ণাঙ্গ ব্যাকৰণ এখনৰ অভাৱ অনুভৱ কৰা যায় বুলি সততে শুনিবলৈ পোৱা অভিযোগৰ সত্যাসত্য বিচাৰ কৰা। ১০





৫। (ক) বিশিষ্টধ্বনি কাক বোলে? অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? জিভাৰ উচ্চতা, জিভাৰ অংশ আৰু মুখৰ বিস্তৃতি অনুসৰি অসমীয়া ভাষাৰ স্বৰবৰ্ণসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। এই বৰ্ণসমূহ লিখিবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়, লিখা। ১+২+৪+৩=১০

অথবা

(খ) বিভাজ্য আৰু অবিভাজ্য ধ্বনি কাক বোলে? অসমীয়া ভাষাৰ অবিভাজ্য ধ্বনিসমূহৰ বিষয়ে বহলাই আলোচনা কৰা। ২+৮=১০

৬। (ক) বচন বুলিলে কি বুজা? অসমীয়া ভাষাত কি কি প্ৰক্ৰিয়াৰে বচনসাধন কৰা হয়, উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

অথবা

(খ) বিভক্তি কাক বোলে? ইয়াক মূলতঃ কি কি দুটা ভাগত ভগোৱা হৈছে? অসমীয়া ভাষাৰ নামবিভক্তি সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ২+২+৬=১০

৭। (ক) অসমীয়া ভাষাৰ বাক্যতত্ত্বৰ বিভিন্ন দিশ সামৰি এটি নিবন্ধ যুগুত কৰা। ১০

অথবা

(খ) অসমীয়া ভাষাত নিকটস্থ অঙ্গ বিচাৰ আৰু খণ্ডবাক্য গঠনৰ বিষয়ে চমুকৈ আলোচনা কৰা।

***